# গোৱালপাৰাত গ্ৰন্থ উন্মোচন

<u>নিজা বাতৰি দিওঁতা</u>

**গোৱালপাৰা, ১৩ জুন ঃ** গোৱালপাৰা মহাবিদ্যালয়ৰ শিক্ষকৰ সভাগৃহত আজি মহাবিদ্যালয়খনৰ অধ্যাপক শৈলেনজিৎ শৰ্মাৰ দুখন গ্ৰন্থৰ এখন 'বিশ্ব জীৱনী' (প্ৰথম খণ্ড) শীৰ্ষক গ্ৰন্থখন অধ্যক্ষ ড° সুভাষ বৰ্মনে উন্মোচন কৰে। অধ্যাপক ড° যুগব্ৰত দাসে আঁত ধৰা গ্ৰন্থ উন্মোচনী সভাত গ্ৰন্থকাৰ অধ্যাপক শৰ্মাৰ আনখন গ্ৰন্থ 'প্ৰবন্ধ কৰণি' উন্মোচন কৰে সাংবাদিক-সাহিত্যিক দিলীপ কুমাৰ শৰ্মাই।